# সাহসী ছোৱালীজনী

## Chapter – 9

## অংকুৰণ

## ASSAMESE

---

**পাঠটোৰ মূলকথা :-** পাঠত উল্লিখিত সাহসী ছোৱালীজনীৰ প্ৰকৃত নাম কনকলতা বৰুৱা। ব্ৰিটিছৰ হাতৰ পৰা ভাৰতৰ স্বাধীনতা ঘূৰাই আনিবলৈ সেই সময়ত দেশবাসীয়ে কৰা স্বাধীনতা আন্দোলনত ভাৰতৰ বিভিন্ন প্ৰান্তত অনেক বীৰ-বীৰাংগনাই ব্ৰিটিছৰ গুলীত দেশৰ স্বাধীনতাৰ হবে প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছিল। কনকলতা বৰুৱাও আছিল ব্ৰিটিছৰ গুলীত শহীদ হোৱা এগৰাকী স্বাধীনতা আন্দোলনৰ বীৰাংগনা। অসমৰ গ্ৰহণৰ থানাত ব্ৰিটিছ সেনাৰ বাধা নেওচি থানাত ভাৰতৰ জাতীয় পতাকা উৰুৱাবলৈ আগবঢ়া এটা আন্দোলনৰ সমদলৰ সমুখত থিয় দি হাতত জাতীয় পতাকা লৈ থানালৈ আগবঢ়া অবস্থাতে ব্ৰিটিছ পুলিচৰ গুলীত কনকলতাই দেহত্যাগ কৰি জাতীয়

শহীদ হৈ সবাৰে সন্মান আৰু শ্ৰদ্ধাৰ পাত্ৰী হয়। শহীদ হোৱা কাজত কনকলতা এগৰাকী তেনেই কমবয়সীয়া গাভৰু আছিল। এই ঘটনা ঘটিছিল অসমত, ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত।

**প্ৰঃ ১। কনকলতা বকৰাৰ বিষয়ে এটি চমুটোকা লিখা।**

উত্তৰ :- কনকলতাৰ জন্ম হয় শোণিতপুৰ জিলাৰ গহপুৰ থানাৰ অন্তৰ্গত বৰঙাবাৰী গাঁৱত। পিতৃৰ নাম আছিল কৃষ্ণকান্ত বৰুৱা আৰু মাতৃৰ নাম আছিল কণেশ্বৰী বকনা। কনকলতা আছিল সৰুৰে পৰা সাহসী। তেওঁ সকলো কামতে আগৰণুৱা আছিল। সেই সময়ত ভাৰতত স্বাধীনতা আন্দোলনৰ ভবপক অবস্থা। বিভিন্ন ঠাইত দলে দলে ভাৰতীয় লোকে স্বাধীনতা আন্দোলনত যোগদান কৰি ব্ৰিটিছবিৰোধী কাৰ্যকলাপত ভাগ লৈছিল। ১৯৪২ চনত ভাৰতৰ স্বাধীনতা আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰে। সাহসী কনকলতাৰ মনতো স্বাধীনতা আন্দোলনে ব্যাপক প্ৰভাব পেলাইছিল। তেওঁ কোমল বয়সীয়া ছোৱালী হৈয়ো আন স্থানীয় স্বাধীনতা আন্দোলনকাৰীৰ সৈতে আন্দোলনত ভাগ লৈছিল। এদিন গহপুৰ থানাত ব্ৰিটিছ পতাকাৰ পৰিৱৰ্তে ভাৰতৰ জাতীয় পতাকা উৰুৱাবলৈ আগবঢ়া দল এটাত কনকলতাই ভাগ লৈছিল। থানালৈ অগ্ৰসৰ হোৱা অৱস্থাতে ব্ৰিটিছ পুলিচৰ গুলীত ১৯৪২ চনত কনকলতা শ্বহীদ হয় আৰু এগৰাকী বীৰাংগনা ৰূপে জাউতিযুগীয়া সুখ্যাতি ৰাখি থৈ যায়।

## ক-পাঠভিত্তিক ক্ৰিয়া-কলাপ

**প্ৰঃ ১। উত্তৰ দিয়া :**

**(ক) দলটোৱে কি ধ্বনি দি শোভাযাত্ৰা কৰিছিল ?**

উত্তৰ :- দলটোৱে 'বন্দেমাতৰম্, বন্দেমাতৰম্' ধ্বনি দি শোভাযাত্ৰা কৰিছিল।

**(খ) শোভাযাত্ৰা কৰি দলটো কোনফালে আগবাঢ়িছিল ?**

উত্তৰ :- শোভাযাত্ৰা কৰি দলটো গহপুৰ থানা অভিমুখে আগবাঢ়িছিল।

**(গ) শোভাযাত্ৰাৰ সন্মুখত থকা ছোৱালীজনীয়ে কি গীত জুৰিলে ?**

উত্তৰ :- ছোৱালীজনীয়ে জুৰা গীতটো হ'ল—

'ডেকা গাভৰুৰ দল!

বীৰ-বীৰাংগনাৰ দল!

নতুন তেজেৰে ৰাঙলী ৰূপহী

কৰহি ধৰণী তল।

খোজৰ ভৰত কঁপক ধৰণী,

তৰুণ চকুত জ্বলক অগনি,

শতসহস্ৰ মৃত্যু নেওচি,

ব'ল আগুৱাই বল।

**(ঘ) পতাকা উৰুৱাবলৈ যাওঁতে পুলিচে কি কৰিলে?**

উত্তৰ :- পতাকা উকৰাবলৈ যাওঁতে পুলিচে ছোৱালীজনীক গুলীয়াই নিহত কৰিলে।

**(ঙ) দেশৰ বাবে প্ৰাণ আহুতি দিয়া ছোৱালীজনীৰ নাম কি?**

উত্তৰ :- ছোৱালীজনীৰ নাম কনকলতা বৰুৱা।

**প্ৰঃ ২। তলৰ কথাকেইষাৰ কোনে কৈছিল ?**

**(ক) ‘সাৱধান, আৰু আগ নাবাঢ়িবা ; এখোজ আগবাঢ়িলেই গুলী কৰিম।’**

উত্তৰ :- ব্ৰিটিছ্ শাসনাধীন গহপুৰ থানাৰ পুলিচে এই কথাষাৰ আন্দোলনকাৰীক লক্ষ্য কৰি কৈছিল।

**(খ) “এইখন আমাৰ দেশ’ এইখন দেশত বিদেশীৰ কোনো অধিকাৰ নাই। থানাত আমি জাতীয় নিচান উৰুৱামেই।”**

উত্তৰ :- আন্দোলনকাৰীৰ সম্মুখভাগত থিয় দি জাতীয় পতাকা হাতত লৈ এই কথাষাৰ কনকলতা নামৰ কম বয়সীয়া ছোৱালীজনীয়ে কৈছিল।

**প্ৰঃ ৩। তলৰ শব্দবোৰৰ অৰ্থ লিখা।**

উত্তৰ :-

| **শব্দ** | **অৰ্থ** |
|---|---|
| হুংকাৰ | গোজৰ, গোজৰণি। |
| ভ্ৰূক্ষেপ | কেৰাহিকৈ চোৱা। |
| আগচি | বাট ভেটি ধৰ। |
| উত্তপ্ত | তপত, গৰম। |
| উদ্যত | আগবাঢ়ি যোৱা, সাজু, প্ৰস্তুত। |
| আহুতি | উচ্চৰ্গা, জুইত ঘিউ ঢলা কাৰ্য, প্ৰাণ বিসৰ্জন দিয়া। |

**প্ৰঃ ৪। তলৰ শব্দবোৰৰ সহায়ত খালী ঠাই পূৰ কৰা।**

**নিচান, ভ্ৰূক্ষেপ, উত্তপ্ত, উদাত্ত**

**(ক) ___কণ্ঠেৰে তাই স্বদেশ প্ৰেমৰ গীত জুৰিলে।**

উত্তৰ :- উদাত্ত।

**(খ) পুলিচৰ হুংকাৰ শুনাৰ পাছৃত পৰিৱেশ ___হৈ পৰিল।**

উত্তৰ :- উত্তপ্ত।

**(গ) ছোৱালীজনীয়ে পুলিচৰ হুংকাৰলৈ ___নকৰিলে।**

উত্তৰ :- ভ্ৰূক্ষেপ।

**(ঘ) থানাত আমি জাতীয় __উৰুৱামেই।**

উত্তৰ :- নিচান।

**খ-ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ)**

**প্ৰঃ ১। যুক্তাক্ষৰ ভাঙি লিখোঁ আহা—**

উত্তপ্ত প্ত প + ত পই তই প্ত

আহ্বান হ্ব হ + ব হই বই হ্ব


সহস্ৰ স্ৰ স + ৰ সই ৰই স্ৰ

কৃষ্ণ ষ্ণ ষ + ণ সই ণই ষ্ণ

ভ্ৰূক্ষেপ ভ্ৰূ ভ + ৰ + ঊ ভই বই ভ্ৰ তাত ঊকাৰে ভ্ৰূ।

**চিহ্ন আৰু ভুলটোৰ কাষত X চিন দিয়া।**

উত্তৰ :-




**প্ৰঃ ৩। তলত দিয়া শব্দবোৰৰ বিপৰীত লিংগ বুজোৱা শব্দবোৰ লিখা।**

**ডেকা, বীৰ, ল’ৰা, ল’ৰাটো, ৰূপহ, এজন**

উত্তৰ :-

| **শব্দ** | **বিপৰীত লিংগ** |
|---|---|
| ডেকা | গাভৰু |
| ল’ৰা | ছোৱালী |
| ৰূপহ | ৰূপহী |
| বীৰ | বীৰাংগনা |
| ল’ৰাটো | ছোৱালীজনী |
| এজন | এজনী |

**৪। তলত পুংলিংগ আৰু স্ত্ৰীলিংগ শব্দবোৰ শিকি লোৱা।**

উত্তৰ :-

| **পুংলিংগ** | **স্ত্ৰীলিংগ** |
|---|---|
| দেউতা | মা |
| তাৰৈ | আমৈ |
| খুৰা | খুৰী |
| বন্ধু | বান্ধৱী |

| | |
|---|---|
| দৰা | কইনা |
| গায়ক | গায়িকা |
| নিলাজ | নিলাজী |
| ককা | আইতা |
| পেহা | পেহী |
| বাঘ | বাঘিনী |
| নায়ক | নায়িকা |
| শিক্ষক | শিক্ষয়িত্ৰী |
| ছাত্ৰ | ছাত্ৰী |
| বলধ | গাই |

**প্ৰঃ ৫। চাই চাই লিখা :**

উত্তৰ :- স্বাধীনতা আমাৰ জন্মস্বত্ব

## গ-জ্ঞান সম্প্ৰসাৰণ

**প্ৰঃ ১। তলত দিয়া শব্দবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য সাজা :**

**সপ্তম, সপ্ত, এসপ্তাহ, সহস্ৰ, গুহা**

উত্তৰ :- **সপ্তম (অৰ্থ সাত) ; সপ্ত (অৰ্থ–সাত) :-** দীননাথ সপ্তম শ্ৰেণীৰ ছাত্ৰ।

**এ সপ্তাহ (অৰ্থ–সাতদিন) :-** সাত দিনত এসপ্তাহ হয়।

**সহস্ৰ (অৰ্থ— হাজাৰ) :-** সহস্ৰ শব্দই এহাজাৰক বুজায়।

**প্ৰঃ ২। 'ও' আৰু 'ত্ত' ৰ পাৰ্থক্য দেখুৱাই দুয়োটাৰে কেইটামান শব্দ গঠন কৰা।**

উত্তৰ :- 'ও' আৰু 'ত্ত' ৰ পাৰ্থক হ'ল–

(ক) 'ও' এটা স্বৰবৰ্ণ। আনহাতে 'ত্ত' হ'ল 'ত + ত' যুক্ত হৈ হোৱা এটা যুক্ত ব্যঞ্জনবৰ্ণ। 'ও' স্বৰবৰ্ণত মাত্ৰা নাথাকে, আনহাতে 'ত্ত' যুক্তবৰ্ণটোত মাত্ৰা থাকে। তলত দিয়া বৰ্ণৰ পৰা কেইটামান শব্দ গঠন কৰি দেখুওৱা হ'ল—

ও–ওখ, ওব, ওজন, ওপৰ, ওজা, ওপজা।

ত্ত–উত্তৰ, সত্তৰ, উদাত্ত, উন্মত্ত, উত্তম, নৰুত্তম।

**প্ৰঃ ৩। ভাৰতৰ জাতীয় পতাকাখন আঁকা, ইয়াৰ বিষয়ে কেইটামান বাক্য লিখা।**

**(ছবি নিজে আঁকা।)**

উত্তৰ :- জাতীয় পতাকা জাতিৰ মৰ্যাদাৰ প্ৰতীক। আমাৰ ভাৰতবৰ্ষৰ জাতীয় পতাকাখন তিনি বৰণীয়া। ইয়াৰে ওপৰত গেৰুৱা, মাজত বগা আৰু তলৰ অংশ সেউজীয়া ৰঙৰ। গেৰুৱা ৰঙে ত্যাগ আৰু সাহস, বগা ৰঙে সত্য আৰু শান্তি, সেউজীয়া ৰঙে প্ৰগতি, বিশ্বাস আৰু শক্তিক বুজায়। জাতীয় পতাকাৰ সোঁমাজত থকা চক্ৰটো ধৰ্মচক্ৰ। স্বাধীনতা দিবস, গণতন্ত্ৰ দিৱস আৰু ৰাষ্ট্ৰীয় উৎসৱত জাতীয় পতাকা উত্তোলন কৰা হয়। জাতীয় পতাকাক সকলোৰে শ্ৰদ্ধা আৰু সম্মান কৰিব লাগে।

**প্ৰঃ ৪। তলত উল্লেখ কৰা তাৰিখবোৰ আমি কি কি দিৱস হিচাপে পালন কৰোঁ লিখা।**

**১৫ আগষ্ট, ২৬ জানুৱাৰী, ২ অক্টোবৰ, ২০ জুন, ১৭ জানুৱাৰী।**

উত্তৰ :- ১৫ আগষ্ট স্বাধীনতা দিৱস।

২৬ জানুৱাৰী – গণতন্ত্ৰ দিৱস।

২ অক্টোবৰ – গান্ধীজয়ন্তী।

২০ জুন – বিষ্ণুৰাভা দিৱস।

১৭ জুন – শিল্পী দিৱস।

## ঘ-প্ৰকল্প

**প্ৰঃ ১। ভাৰতৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰা কেই গৰাকীমান ব্যক্তিৰ ছবি সংগ্ৰহ কৰা।**

উত্তৰ :- নিজে কৰা।

**প্ৰঃ ২। “সাহসী ছোৱালীজনী” পাঠটো নাটকীয় সংলাপেৰে অভিনয় কৰা।**

উত্তৰ :- ডাঙৰৰ পৰা শিকি বুজি নিজে অভিনয় কৰিবলৈ চেষ্টা কৰা।